বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম

# খোতবা জুমা

## আল্লাহৰ ওপৰত ভৰসা (তাৱাক্কুল) সন্দৰ্ভত হজৰত মছীহ মাওউদ (আঃ) ৰ জীৱনীৰ ঈমান উদ্দীপক বিৱৰণ

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔
بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔
إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔
صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

**ছৈয়দিনা হজৰত আমিৰুল মোমিনীন খলিফাতুল মছীহ আল-খামিছ (আইঃ)এ ২৫ চেপ্তেম্বৰ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ (ইউ, কে)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) এ কৈছে,

যোৱা কেইবাটাও খোতবাত মই মহানবী ছাল্লাল্লাহু আলাইহি ৱা ছাল্লামৰ জীৱনী বৰ্ণনা কৰোঁতে তাৱাক্কুলৰ (আল্লাহৰ ওপৰত ভৰসা কৰাৰ) সৰ্বোচ্চ মৰ্যাদাৰ বিষয়ে আলোচনা কৰি আহিছোঁ।

বৰ্তমান যুগত তেখেত (ছাঃ) ৰ প্ৰকৃত দাসে তেখেতৰ আদৰ্শ অনুসৰি আমাৰ বাবে ইয়াক কেনেদৰে বৰ্ণনা কৰিছে, কি শিক্ষা দিছে আৰু ইয়াৰ ওপৰত কেনেকৈ আমল কৰিছে? আজি মই এই বিষয়ে কিছু কথা বৰ্ণনা কৰিম।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে কৈছে যে তাৱাক্কুল হৈছে এয়াই যে,আল্লাহ তা'লাই কোনো কাম সিদ্ধি কৰাৰ বাবে যি উপায়সমূহ (মাধ্যম) নিৰ্ধাৰণ কৰিছে, সেইবোৰ নিজৰ সাধ্য অনুযায়ী একত্ৰিত কৰা আৰু তাৰ পিছত দোৱাত মগ্ন হোৱা যে হে আল্লাহ! তুমিয়েই ইয়াৰ পৰিণাম শুভ কৰা। এনে শ শ বিপদ আৰু হাজাৰ হাজাৰ দুৰ্যোগ আছে যিয়ে এই উপায়সমূহকো ধ্বংস আৰু তচনচ কৰি দিব পাৰে, সেইবোৰৰ কবলৰ পৰা ৰক্ষা কৰি আমাক প্ৰকৃত সফলতা প্ৰদান কৰা আৰু গন্তব্যস্থানত উপনীত কৰোৱা।

হুজুৰ আনোৱাৰে স্পষ্ট কৰি দিছে যে মানুহে উপায়সমূহ ব্যৱহাৰ কৰে, কিন্তু এনে বহুতো বিপদ আছে বা এনে পৰিস্থিতিৰ সৃষ্টি হ'ব পাৰে, য'ত মানুহে নিৰ্ভৰ কৰা উপায়সমূহ ধ্বংস হৈ যায়। সেয়েহে আল্লাহ তা'লাৰ পৰা সহায় বিচাৰিব লাগে যাতে আল্লাহে আমাক এইবোৰৰ কু-প্ৰভাৱৰ পৰা ৰক্ষা কৰে। এয়া এনে এক অৱস্থা, যি পথত চলি এজন মুমিনে আল্লাহ তা'লাৰ কৃপা (কৰুণা) লাভ কৰিবলৈ সক্ষম হ'ব পাৰে।

হজৰত মছীহ মাওউদ আলাইহিচ্ছালামে কৈছে যে আল্লাহ তা'লাৰ প্ৰতি সন্তুষ্ট হোৱাটো প্ৰতিজন মানুহৰ কাম নহয়, বৰঞ্চ এই তাৱাক্কুল তবাট্টুল অৰ্থাৎ খোদাৰ প্ৰতি সম্পূৰ্ণ মনোযোগ আৰু সন্মতি তথা আত্মসমৰ্পণৰ এয়া এক উচ্চ

স্থান, য'ত উপনীত হ'লে মানুহৰ নিজৰ প্ৰভুৰ প্ৰতি কোনো ধৰণৰ আক্ষেপ বা অভিযোগ নাথাকে। আল্লাহ তা'লা নিজৰ বান্দাৰ প্ৰতি সন্তুষ্ট হোৱাটো নিৰ্ভৰ কৰে বান্দাৰ পূৰ্ণ সত্যবাদিতা, আনুগত্য, উচ্চ স্তৰৰ পৱিত্ৰতা আৰু পূৰ্ণ আজ্ঞাপালনৰ ওপৰত। ইয়াৰ পৰাই জনা যায় যে চাহাবাসকলে মা'ৰিফত (জ্ঞান) আৰু আধ্যাত্মিক পথৰ সকলো স্তৰ অতিক্ৰম কৰিছিল আৰু তেওঁলোকে আল্লাহ তা'লাৰ সৈতে সম্পৰ্ক আৰু তাৱাক্কুলৰ (ভৰসাৰ) এনে এক স্থান লাভ কৰিছিল যাক আমাৰ বাবে আদৰ্শ হিচাপে গঢ়ি তোলা হৈছে।

হুজুৰ আনোৱাৰে কয় যে তেখেত (আঃ) এ নিজৰ অনুগামীসকলক সময় আৰু সুযোগ অনুযায়ী তাৱাক্কুলৰ (খোদাৰ ওপৰত ভৰসা কৰাৰ) উপদেশ দি থাকিছিল। এটা বৰ্ণনাত পোৱা যায় যে হজৰত মাষ্টাৰ নাজিৰ হুছেইন চাহাব ৰাজিয়াল্লাহু আনহুৱে বৰ্ণনা কৰিছে, হজৰত আকদছ আলাইহিছ ছালামে কৈছে যে, "এইটো নাভাবিবা যে আল্লাহ তা'লা দুৰ্বল, তেওঁ মহাশক্তিমান, যেতিয়া কোনো বিষয়ত তেওঁৰ ওপৰত ভৰসা কৰিবা তেতিয়া তেওঁ নিশ্চয়কৈ তোমালোকক সহায় কৰিব।" যিদৰে তেওঁ নিজেই কৈছে: وَ مَنْ يَتَوَكَّلْ عَلَى اللّٰهِ فَهُوَ حَسْبُهُ অৰ্থাৎ যিজনে আল্লাহৰ ওপৰত ভৰসা কৰে, আল্লাহেই তেওঁৰ বাবে যথেষ্ট।

সৎ আৰু সৌভাগ্যৱান লোকসকলৰ গুণাৱলী বৰ্ণনা কৰি হজৰত মছীহ মাওউদ আলাইহিছ ছালামে কয় যে এটা স্থান হৈছে তাৱাক্কুলৰ স্থান, য'ত তেওঁলোকক অতি দৃঢ়তাৰে প্ৰতিষ্ঠা কৰা হয় আৰু তেওঁলোকৰ বাহিৰে আন কোনেও কেতিয়াও সেই নিৰ্মল প্ৰশ্ৰৱণ লাভ কৰিব নোৱাৰে। বৰঞ্চ কেৱল তেওঁলোকৰ বাবেই ইয়াক আনন্দদায়ক আৰু অনুকূল কৰা হয়। মা'ৰিফতৰ (পৰম জ্ঞানৰ) পোহৰে তেওঁলোকক এনেদৰে ধৰি ৰাখে যে, প্ৰায়ে বিভিন্ন ধৰণৰ অভাৱৰ মাজত থাকিও আৰু সাধাৰণ পাৰ্থিৱ উপায়ৰ পৰা নিজকে সম্পূৰ্ণৰূপে আঁতৰত পায়ো তেওঁলোকে এনে প্ৰফুল্লতা আৰু উদাৰতাৰে জীৱন নিৰ্বাহ কৰে আৰু এনে সুখ-সমৃদ্ধিৰে নিজৰ দিনবোৰ পাৰ কৰে যেন তেওঁলোকৰ ওচৰত হাজাৰ হাজাৰ ভাণ্ডাৰহে আছে। তেওঁলোকৰ মুখমণ্ডলত ঐশ্বৰ্যৰ অৰ্থাৎ ধনৱান হোৱাৰ সতেজতা দেখা যায় আৰু ধনী ব্যক্তিৰ দৰে স্থিৰতা পৰিলক্ষিত হয়, লগতে অভাৱ-অনাটনৰ অৱস্থাতো তেওঁলোকে পৰম উদাৰতাৰে নিজৰ দয়ালু প্ৰভুৰ ওপৰত পূৰ্ণ বিশ্বাস ৰাখে।

হুজুৰ আনোৱাৰে কয় যে, যিহেতু আল্লাহ তা'লাৰ সৈতে তেওঁলোকৰ সম্পৰ্ক থাকে, সেয়েহে অভাৱ আৰু কষ্টৰ সময়তো তেওঁলোকে আল্লাহৰ ওপৰত ভৰসা ৰাখে, তেওঁৰ পৰা দূৰলৈ নাযায়। তেওঁলোকৰ মনলৈ এই ভাব নাহে যে নাজানো এয়া কি হয়, কি নহয়; এয়া কোনো পৰীক্ষা নে শাস্তি? যদি আল্লাহ তা'লাৰ ওপৰত পূৰ্ণ তাৱাক্কুল (ভৰসা) থাকে আৰু আল্লাহৰ অধিকাৰসমূহ আদায় কৰি থকা হয়, তেন্তে নিশ্চয়কৈ আল্লাহ তা'লাই তেওঁৰ অনুগ্ৰহ প্ৰদান কৰে।

তেখেত (আঃ) এ কৈছে যে তাৱাক্কুল কৰোঁতা আৰু খোদাৰ পিনে ধাৱমান হোৱা লোকসকল কেতিয়াও ধ্বংস বা বিফল নহয়। যি ব্যক্তিয়ে কেৱল নিজৰ প্ৰচেষ্টাতে মগ্ন হৈ থাকে, তেওঁ অপমানৰ বাহিৰে আন কি লাভ কৰিব পাৰে? যেতিয়াৰে পৰা পৃথিৱীৰ সৃষ্টি হৈছে, তেতিয়াৰে পৰা আল্লাহৰ নিয়ম এয়াই হৈ আহিছে যে যিসকলে পৃথিৱীক ত্যাগ কৰে, তেওঁলোকেই ইয়াক লাভ কৰে, আৰু যিসকলে ইয়াৰ পিছত দৌৰে, তেওঁলোক ইয়াৰ পৰা বঞ্চিত হৈ থাকে। যিসকল লোকৰ আল্লাহৰ সৈতে কোনো সম্পৰ্ক নাই, তেওঁলোকে যদি ছলনা আৰু প্ৰতাৰণাৰে কেইদিনমানৰ বাবে

কিবা লাভো কৰে, তথাপিও সেয়া মূল্যহীন। কাৰণ শেষত তেওঁলোকে চৰম বিফলতাৰ সন্মুখীন হ'বলগীয়া হয়। ইছলামত শ্ৰেষ্ঠ লোক সেইসকলেই আছিল যিসকলে ধৰ্মৰ (দ্বীনৰ) তুলনাত এই পৃথিৱীৰ কোনো পৰোৱা কৰা নাছিল। হুজুৰ-এ-আনোৱাৰে কৈছে যে যেতিয়া আল্লাহ তা'লাৰ ওপৰত কোনো ভৰসা (তাৱাক্কুল) নাথাকে আৰু পৃথিৱীতকৈ ধৰ্মক অগ্ৰাধিকাৰ দিয়াৰ কোনো ধাৰণাই নাথাকে, যিটো আমি প্ৰতিটো প্ৰতিশ্ৰুতিতে পুনৰাবৃত্তি কৰোঁ, আনকি খুদ্দাম-উল-আহমদীয়াৰ ইজতেমা (সমাবেশ)তো পুনৰাবৃত্তি কৰিম, তেতিয়া বিশ্বাস আৰু ঈমানৰ এই দুৰ্বলতাই তেনে ব্যক্তিক পৰৱৰ্তী জগতৰ আশীৰ্বাদৰ পৰাও বঞ্চিত কৰি ৰাখিব। এই পৃথিৱীখনকে তেওঁলোকে সকলো বুলি ভাবিছিল আৰু ইয়াক পাবলৈ চেষ্টা কৰি গৈছিল, কিছুমানে পালে, কিছুমানে ইয়াক পোৱাৰ চেষ্টাতে এই জগতৰ পৰা বিদায় ল'লে, অৰ্থাৎ বিফল হ'ল। অথবা পালে যদিও তাৰ পিছত সেয়া হেৰাই গ'ল আৰু তাৰ পিছত জাগতিকভাৱে তেওঁলোকে যন্ত্ৰণাত জীৱন অতিবাহিত কৰিলে। তেওঁলোক ধৰ্মৰো নহ'ল, দুনিয়াৰো (পৃথিৱীৰো) নহ'ল, এই বিষয়ে এজন কবিয়ে কৈছে যে- نہ خدا ہی ملا نہ وصالِ صنم (খোদাকো নাপালো আৰু প্ৰিয়জনৰো মিলন নহ'ল!)।

হুজুৰ-এ-আনোৱাৰে কৈছে যে আল্লাহ তা'লাই হজৰত আকদছ মছীহ মাওউদ আলাইহিছ ছালামৰ নাম নিজেই 'মুতৱাক্কিল' (যিয়ে আল্লাহৰ ওপৰত ভৰসা কৰে) ৰাখিছিল, সেয়েহে তেখেত (আঃ)এ কৈছে মছীহৰ আগমনৰ লক্ষণ এয়া লিখা আছে যে তেওঁ দুজন ফিৰিস্তাৰ (দেৱদূতৰ) ডেউকাত নিজৰ হাতৰ তলুৱা ৰাখি থোৱা অৱস্থাত থাকিব। ই এই কথাৰ ইংগিত দিয়ে যে তেওঁৰ সোঁ আৰু বাঁও হাত, যিটো বৌদ্ধিক জ্ঞান আৰু অন্তৰ্নিহিত পোহৰ (আধ্যাত্মিক জ্ঞান) অৰ্জনৰ মাধ্যম, সেয়া স্বৰ্গীয় ফিৰিস্তাসকলৰ সমৰ্থনত হ'ব যাৰ ওপৰত এই কাম অৰ্পণ কৰা হয়। বৌদ্ধিক জ্ঞান, অন্তৰ্নিহিত পোহৰ, আৰু ধৰ্মৰ আধ্যাত্মিক পৰিচয়ৰ কথাবোৰ এই মাধ্যমৰ জৰিয়তে অৰ্থাৎ ফিৰিস্তাসকলৰ সহায়ত হ'ব। দুজন ফিৰিস্তাৰ ওপৰত হাত ৰখাৰ অৰ্থ এয়াই। এইটো তেওঁলোকৰ আশ্ৰয়ত হ'ব আৰু তেওঁ কোনো বিদ্যালয়, কিতাপ বা ধৰ্মীয় নেতাসকলৰ পৰা নহয়, বৰঞ্চ আল্লাহ তা'লাৰ পৰা 'ইলম-এ-লাদুন্নী' (ঐশ্বৰিক জ্ঞান) লাভ কৰিব, অৰ্থাৎ তেওঁ সেই জ্ঞান লাভ কৰিব যিটো সম্পূৰ্ণৰূপে আল্লাহ তা'লাই শিকাব। লগতে তেওঁৰ জীৱনৰ প্ৰয়োজনীয়তাসমূহৰ আল্লাহে নিজেই তত্ত্বাৱধায়ক আৰু যোগানধাৰী হ'ব, যিদৰে তেখেত (আঃ) এ দহ বছৰ আগতেই কৈছিল যে এই অধমৰ বিষয়ে এই ইলহাম (প্ৰত্যাদেশ) প্ৰকাশ পাইছে যে- إِنَّكَ بِأَعْيُنِنَا سَمَّيْتُكَ الْمُتَوَكِّلَ وَعَلَّمْنَاهُ مِن لَّدُنَّا عِلْمًا অৰ্থাৎ, "তুমি আমাৰ চকুৰ আগত আছা। আমি তোমাৰ নাম মুতাৱাক্কিল ৰাখিছো আৰু আমাৰ তৰফৰ পৰা জ্ঞান শিকাইছো।"

প্ৰাৰ্থনা আৰু তাৱাক্কুল (ভৰসা) সন্দৰ্ভত তেখেত (আঃ) এ কৈছে যে দোৱাৰ জৰিয়তে সকলো সমস্যাৰ সমাধান হৈ যায়। আমাৰ হাততো যদি কাৰোবাৰ মঙ্গল কামনা কৰাৰ কিবা উপায় আছে, তেন্তে সেয়া কি ? সেয়া কেৱল দোৱাৰ এক অস্ত্ৰ যিটো আল্লাহে আমাক দিছে, সেয়া বন্ধুৰ বাবেই হওক বা শত্ৰুৰ বাবেই হওক। আমি ক'লাক বগা আৰু বগাক ক'লা কৰিব নোৱাৰো, আমাৰ আয়ত্তত এক অণু পৰিমাণৰো ক্ষমতা নাই, কেৱল মাত্ৰ সেইটোৰ বাহিৰে যি আল্লাহে নিজৰ কৃপাত আমাক প্ৰদান কৰে।

দোৱাৰ (প্ৰাৰ্থনাৰ) প্ৰতি দৃষ্টি আকৰ্ষণ কৰি আৰু আল্লাহ তা'লাৰ ওপৰত তাৱাক্কুল (ভৰসা) গঢ়ি তোলাৰ উপদেশ দি তেখেত (আঃ) এ কৈছে যে আত্মসংশোধনৰ বাবে, শেষ অৱস্থা শুভ হোৱাৰ বাবে আৰু নেক কাম কৰাৰ তৌফিক

পাবলৈ দ্বিতীয় দিশটো হৈছে দোৱা। ইয়াত যিমান বেছি আল্লাহ তা'লাৰ ওপৰত তাৱাক্কুল আৰু বিশ্বাস ৰাখিব আৰু এই পথত ভাগৰি নপৰাকৈ খোজ পেলাব, সিমানেই উত্তম ফলাফল আৰু সুফল লাভ কৰিব। সকলো সমস্যা দূৰ হৈ যাব। দোৱা কৰোঁতাজন তাকৱাৰ (পৰহেজগাৰীৰ) সৰ্বোচ্চ স্থানত উপনীত হ'ব।

তেখেত (আঃ) ৰ তাৱাক্কুলৰ দিশটো বৰ্ণনা কৰি তেখেতৰ জীৱনীৰ বিষয়ে হজৰত শ্বেইখ য়াকুব আলী চাহেব ইৰফানী (ৰাঃ)-য়ে লিখিছে যে যদিও তেখেত (আঃ) এ মোকৰ্দমাৰ প্ৰস্তুতিৰ বাবে সম্পূৰ্ণ পৰিশ্ৰম আৰু প্ৰচেষ্টা চলাইছিল, তথাপিও তেখেতে কেতিয়াও সেই কাৰণসমূহৰ (জাগতিক উপায়সমূহৰ) ওপৰত ভৰসা কৰা নাছিল, বৰঞ্চ দোৱাৰ সহায় লৈছিল আৰু প্ৰতিটো সময়তে কেৱল খোদা তা'লাৰ সত্তাহে তেখেত (আঃ) ৰ লক্ষ্য আছিল, তেৱেঁই আছিল উপাস্য আৰু বাঞ্ছিত, আৰু তেওঁৰ ওপৰতেই তেখেতৰ তাৱাক্কুল আৰু বিশ্বাস আছিল।

হজৰত চাহাবজাদা মিৰ্জা বশ্বিৰ আহমেদ চাহাব (ৰাঃ)এ এটা বৰ্ণনাত তেখেত (আঃ) ৰ নিজৰ এজন নিষ্ঠাৱান অনুগামীক দিয়া এটা উপদেশ উল্লেখ কৰি কৈছে যে, ফয়জুল্লাহ চকৰ নিবাসী হাফিজ নুৰ মহম্মদ চাহাব (ৰাঃ) এ মোক লিখিতভাৱে জনাইছিল যে মই হাফিজ হামিদ আলী চাহাব  (ৰাঃ) ৰ পৰা এই প্ৰসংগটো শুনিছিলো যে হজৰত আকদছ (আঃ) এ কৈছিল, যদি কোনো মোকৰ্দমাত বা আন কোনো উপায়েৰে শাসক বা বিচাৰকৰ সন্মুখলৈ যাব লগা হয়, তেন্তে যোৱাৰ আগতে সাতবাৰ ছুৰা আল-ফাতিহা পঢ়ি ল'ব লাগে আৰু নিজৰ আঙুলিৰে সাতবাৰ নিজৰ কপালত 'য়া আজিজ' (হে পৰাক্ৰমশালী) লিখি ল'ব লাগে। এনে কৰিলে আল্লাহ তা'লাই সফলতা প্ৰদান কৰে।

হজৰত চাহাবজাদা মিৰ্জা বশ্বিৰ আহমেদ চাহাব (ৰাঃ) এ ইয়াৰ ওপৰত মন্তব্য কৰি লিখিছে যে সম্ভৱতঃ 'হালত-এ-ইস্তিগনা আন গাইৰুল্লাহ' অৰ্থাৎ আল্লাহৰ বাহিৰে আনৰ প্ৰতি অমুখাপেক্ষী (নিৰপেক্ষ) হোৱা অৱস্থা আৰু আল্লাহৰ ওপৰত তাৱাক্কুলৰ অৱস্থা সৃষ্টি কৰাৰ বাবেই তেখেত (আঃ) এ এই কথা কৈছিল।

হুজুৰ আনোৱাৰে কৈছে যে আল্লাহৰ ওপৰত তাৱাক্কুলৰ এক আশ্চৰ্যজনক মৰ্যাদা আছে, যিটো আমি তেখেত (আঃ) ৰ মাজত নবী (ছাঃ)ৰ অনুসৰণত সকলো ঠাইতে দেখিবলৈ পাওঁ। আল্লাহ তা'লাই আমাকো তাৱাক্কুলৰ উচ্চতম মানদণ্ড অৰ্জন কৰাৰ তৌফিক দান কৰক।

اَلْحَمْدُ لِلّٰہِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ  وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ  عِبَادَ اللّٰهِ رَحِمَكُمُ اللّٰهُ اِنَّ اللّٰهَ  يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ  يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

Assamese Khulasa Khutba Hazur Anowar 25 Sep 2026

Nazarat Nashr-O-Ishaat Qadian